Total number of printed pages – 4

**3 (Sem–4/CBCS) ASM HC 1**

**2025**

**ASSAMESE**

( Honours Core )

Paper : ASM–HC–4016

***( Tulanamulak Bharatiya Sahitya )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×১০=১০

(ক) ভাৰতবৰ্ষৰ কোনখন বিশ্ববিদ্যালয়ত পোনপ্ৰথমে তুলনামূলক সাহিত্যৰ সুকীয়া বিভাগ খোলা হৈছিল?

(খ) Robert Jauss – কোনটো সংহতিৰ প্ৰৱক্তা আছিল?

(গ) ভাৰতত কোনে প্ৰথমে 'বিশ্ব সাহিত্য' শব্দটিৰ প্ৰয়োগ কৰে?

(ঘ) 'কল্লোল' আলোচনী কেতিয়া প্ৰকাশ পায়?

(ঙ) অভাগী কোন?

(চ) ‘ৰাপ্‌চি’ গল্পটিত গজাধৰ বাবুৱে দ্বিতীয়বাৰৰ বাবে ক'ত চাকৰি কৰিবলৈ গৈছিল?

(ছ) ‘গান্ধী’ গল্পটো কি ভাষাত ৰচিত?

(জ) প্ৰেমচন্দই কি ভাষাৰে প্ৰথমে সাহিত্য চৰ্চা কৰে?

(ঝ) পথেৰ পাঁচালী উপন্যাসখনত কেইটা ভাগ পোৱা যায়?

(ঞ) ‘ইন্দুমতী’ গল্পৰ ৰচক কোন?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) তুলনামুলক সাহিত্যৰ অন্তৰ্গত *দুটা* সম্প্ৰদায়ৰ নাম লিখা।

(খ) বাংলা ভাষাৰ প্ৰথম চুটিগল্প কোনে ৰচনা কৰিছিল? তেওঁৰ গল্পপুথিখনৰ নাম কি?

(গ) ‘গান্ধী’ গল্পৰ *দুটা* নাৰী চৰিত্ৰৰ নাম লিখা।

(ঘ) ‘নিৰ্মলা’ উপন্যাসখনত প্ৰকাশ পোৱা *দুটা* দিশ কি কি?

(ঙ) *দুগৰাকী* বাংলা মহিলা ঔপন্যাসিকৰ নাম লিখা।

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৪=২০

(ক) বিশ্ব সাহিত্যৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ।

(খ) তুলনামূলক সাহিত্যৰ ভাৰতীয় সংহতিৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ।



(গ) ‘অভাগীৰ স্বৰ্গ’ গল্পত জমিদাৰী প্ৰথাৰ উৎপীড়ন কেনেদৰে চিত্ৰিত হৈছে চমুকৈ লিখা।

(ঘ) ‘ৰাপ্‌চি’ গল্পটিৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰাঁ।

(ঙ) ‘গান্ধী’ গল্পৰ ডাক্তাৰ চৰিত্ৰটি আলোচনা কৰাঁ।

(চ) হিন্দী সাহিত্যৰ ‘দ্বিবেদী যুগ’ৰ বিষয়ে চমুকৈ লিখা।

৪। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৪=৪০

(ক) তুলনামূলক সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আলোচনা কৰাঁ।

(খ) হিন্দী সাহিত্যৰ আধুনিক কালৰ সকলো দিশ সামৰি *এটি* আলোচনা আগবঢ়োৱা।

(গ) শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ গল্পৰ বৈশিষ্ট্যবোৰ বহলাই আলোচনা কৰাঁ।

(ঘ) ‘অভাগীৰ স্বৰ্গ’ গল্পত জাত-পাতৰ বৰ্ণবৈষম্য কেনেদৰে চিত্ৰিত হৈছে আলোচনা কৰাঁ।

(ঙ) উষা প্ৰিয়ম্বদাৰ গল্পৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰি সেইবোৰ ‘ৰাপ্‌চী’ গল্পটোত কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ।

(চ) পুত্ৰৰ প্ৰতি মাতৃস্নেহ কেনেদৰে প্ৰকাশ পাইছে —বেছগৰ হাল্লি ৰামাৰ ‘গান্ধী’ গল্পটোৰ আধাৰত বিচাৰ কৰাঁ।



Contd.

(ছ) 'নির্মলা' উপন্যাসখনৰ নায়িকা কোন? তেওঁৰ চৰিত্ৰটোৰ *এটি* বিশ্লেষণাত্মক আলোচনা দাঙি ধৰা।

(জ) মহাকাব্যিক উপন্যাস হিচাপে বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী' উপন্যাসখনৰ *এটি* আলোচনা আগবঢ়োৱা।

---